# পানীৰ টোপাল

ছালিমা দেওতা হাশ্বিমৰ কাষত থিয় হৈ আছিল যতিয়া তেওঁ দাড়ী খুৰাই আছিল। তাই নিজৰ হাত দুটা বেছিনৰ ওপৰত ৰাখি হেলনীয়া হৈ আছিল। দেওতাই ধেমালি কৰি তাইৰ নাকৰ ওপৰত অলপ ছাবন দিছিল। তাই হাঁহিছিল আৰু তাৰ পিছত পানীৰ টেপটো বন্ধ কৰি দিছিল। পানীৰ প্ৰয়োজন হোৱাত দেওতাই বাৰে বাৰে চালু কৰিছিল কিন্তু তাই বাৰে বাৰে বন্ধ কৰিছিল।

দেওতাই ভাবিছিল যে ছালিমাই তেওঁৰ লগত ধেমালি কৰি আছে। গতিকে তেওঁ মিছিকি হাঁহি দি কৈছিল। হে ছালিমা এয়া কি?

সৰু আঙুলী ওপৰলৈ উঠাই ছালিমাই এইদৰে কৈছিলঃ "হে দেওতা পানীৰ টোপাল বৰ মূল্যবান আৰু মই ইয়াক বচাই আছো যাতে তুমি ইয়াক এনাই ব্যায় নকৰা"

দেওতাই হালি গৈ নিজৰ ছোৱালীৰ কপালত চুমা দিছিল আৰু তেওঁ অন্তৰে অন্তৰে বৰ উৎফল্লিত হৈছিল আৰু তেওঁ কৈছিলঃ "আল্লাহে তোমাক বচাই ৰাখক কাৰণ তুমি যি পানী বচাই আছা হেয়া হৈছে আমাৰ জীৱন"।

ছালিমা বৰ সুখি হৈছিল আৰু কৈছিলঃ

হে দেওতা আমাৰ শিক্ষয়িত্ৰীয়ে আমাক শিকাইছে যে আমি পানী ঠিক তেনেকৈয়ে সুৰক্ষিত ৰাখিব লাগে যেনেকৈ আমি আমাৰ আটাইতকৈ মূল্যবান বস্তুটো সুৰক্ষিত কৰি ৰাখো কাৰণ পানীয়ে আমাক পিয়াহৰ পৰা সন্তুষ্ট কৰে আৰু পৰিস্কাৰ পৰিছন্নতা বিয়পায় বৰং ইয়াৰ ভিৰতৰ জীৱনৰ ৰহস্য আছে। আল্লা তা'লায় কয় "আমি পানীৰে প্ৰত্যেক বস্তু জিয়াই তুলিছো"

দেওতাই কৈছিলঃ আটাইতকৈ দুখৰ বিষয়টো হ'ল যে আমি কিছুমান মানুহক দেখা পাওঁ যে তেওঁকোকে পৰিস্কাৰ খোৱা পানী ব্যৱহাৰ কৰে গাড়ী, চ'তাল আৰু পথ ধোৱাত নাইবা তেওঁলোকে ব্যক্তিগত প্ৰয়োজনত অধিক পানী খৰচ কৰে নাইবা বিনা কাৰণতে দিনে ৰাতিয়ে পানীৰ টেপ খোলা এৰি দিয়ে অথচ অন্য মানুহে পিয়াহৰ পৰা তৃপ্তি পাবলৈ বা খাদ্য প্ৰস্তুতকৰণৰ বাবে পানী নাপায় ...............।

ছালিমাই কৈছিলঃ হে দেওতা সচাকৈ এইটো বৰ দুখৰ কথা, আমাৰ জীৱনত পানীৰ গুৰত্ব আৰু ইয়াক সুৰক্ষিত কৰাৰ প্ৰয়োজনিয়াতা বিষয়ত মই প্ৰাচীৰ পত্ৰিকাত লিখিম।